## কৃষক ৰাইজৰ জ্ঞাতাৰ্থে

**মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনাৰ অধীনত কৃষক ৰাইজলৈ**
**কৃষি সা-সঁজুলি ক্ৰয়ৰ বাবে বিত্তীয় সাহায্য**

অসম চৰকাৰে ৰাজ্যখনৰ কৃষক ৰাইজৰ বাবে কৃষি যান্ত্ৰিকীকৰণৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ কৃষি সা-সঁজুলি ক্ৰয়ৰ বাবে 'মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনা' নামৰ এক বিশেষ যোজনাৰ জৰিয়তে বিত্তীয় সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিজ্ঞানসন্মত কৃষি পদ্ধতি অৱলম্বনৰ জৰিয়তে ৰাজ্যখনৰ কৃষিক্ষেত্ৰৰ উৎপাদন আৰু উৎপাদিকা শক্তি বৃদ্ধিৰ লক্ষ্য আগত লৈ কৃষি বিভাগৰ জৰিয়তে এই যোজনা ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।

*'মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনা'ই সামৰি লোৱা কেতবোৰ উল্লেখযোগ্য দিশ :*

- এই যোজনাৰ জৰিয়তে প্ৰতিজন কৃষকে মুঠ ৫,০০০.০০ টকাৰ কৃষি সা-সঁজুলি ক্ৰয় কৰিব পাৰিব।
- মুঠ ৫ লাখ কৃষকক এই যোজনাই সামৰি ল'ব।
- কৃষি সা-সঁজুলি ক্ৰয়ৰ বাবদ কৃষকে ব্যয় কৰা ধন প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থা (DBT)ৰ জৰিয়তে হিতাধিকাৰীৰ বেংক একাউণ্টত জমা হ'ব।
- প্ৰতিখন জিলাৰ উপায়ুক্তৰ অধ্যক্ষতাত গঠিত জিলা পৰ্যায়ৰ সমিতিয়ে জিলাখনৰ বাবে হিতাধিকাৰী নিৰ্বাচন কৰিব। বড়োলেণ্ড টেৰিট'ৰিয়েল স্বায়ত্ব শাসিত জিলা আৰু অন্য স্বায়ত্ব শাসিত জিলাসমূহৰ ক্ষেত্ৰত সংশ্লিষ্ট প্ৰধান সচিবৰ অধ্যক্ষতাত গঠিত জিলা পৰ্যায়ৰ সমিতিয়ে হিতাধিকাৰী নিৰ্বাচন কৰিব।

*কৃষকৰ যোগ্যতা :*

- কেৱল ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ কৃষকে এই যোজনাই আগবঢ়োৱা সুবিধা লাভ কৰিব।
- হিতাধিকাৰীৰ বয়স ২১ বছৰতকৈ অধিক হ'ব লাগিব আৰু কমেও তিনি বছৰ একেৰাহে কৃষি কাৰ্যৰ সৈতে জড়িত হৈ থাকিব লাগিব।
- হিতাধিকাৰীগৰাকী আৱাসিক কৃষক হোৱাৰ লগতে তেওঁৰ সক্ৰিয় বেংক একাউণ্ট থাকিব লাগিব।
- এটা পৰিয়ালৰ মাথো এজন কৃষকলৈহে এই যোজনাৰ জৰিয়তে সুবিধা আগবঢ়োৱা হ'ব।
- কমেও ৩ বিঘা মাটিত খেতি কৰা আধিয়াৰেও যোজনাই আগবঢ়োৱা সুবিধা লাভ কৰিব।
- ৰাজ্যিক সংৰক্ষণ বিধি (কেন্দ্ৰীয় বিধি নহয়) অনুসৰি ৭% অনুসূচীত জাতিৰ, ১০% অনুসূচীত জনজাতিৰ আৰু ৫% অনুসূচীত জনজাতি (পাৰ্বত্য)ৰ কৃষকৰ বাবে যোজনাই আগবঢ়োৱা সুবিধা সংৰক্ষিত হৈ থাকিব।

উক্ত যোজনাৰ বিষয়ে সবিশেষ জনাৰ লগতে আবেদন পত্ৰৰ বাবে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক। আগ্ৰহী কৃষকে **www. agri- horti.assam.gov.in** লগ ইন কৰিও আঁচনিখনৰ বিষয়ে সবিশেষ জনাৰ লগতে আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

কৃষি বিভাগ, অসম।